জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭০/২০২০

## দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্য পৰিদৰ্শনৰ বাবে পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যক নিৰ্দেশ দিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ মে'ঃ** দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যত কয়লা খননৰ প্ৰয়াস সন্দৰ্ভত জনসাধাৰণৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ বিষয়ে একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যক বন্যপ্ৰাণী অভয়াৰণ্যখন পৰিদৰ্শন কৰি ইয়াৰ চৰজমিন বুজ লোৱাৰ নিৰ্দেশ দিয়ে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ পৰিৱেশ আৰু জৈৱ বিবিধতা সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ আৰু উন্নয়নৰ নামত পৰিৱেশ বিনষ্ট কৰাৰ পদক্ষেপৰ সৈতে চৰকাৰে কেতিয়াও আপোচ নকৰে। ৰাজ্য চৰকাৰে সদায়ে ৰাজ্যখনৰ পাৰিপাৰ্শ্বিকতাৰ সৈতে ৰজিতা খুৱাই উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই পৰিদৰ্শনৰ সময়ত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰীগৰাকীয়ে বন্যপ্ৰাণী অভয়াৰণ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ ক্ষেত্ৰভিত্তিক বুজ লৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ সন্দৰ্ভত ৰাজ্য চৰকাৰক অৱগত কৰিব।

**বীঃগঃ / সুঃদঃ/ বঃভাঃ**
২০/৫/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in